**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং - ২৮৯**

**উত্তৰ দানৰ তাৰিখঃ ১৩-০৭-২০২৬**

**বিষয়ঃ অসম আৰক্ষী থানা, আউট পোষ্ট আৰু ব'ৰ্ডাৰ আউট পোষ্টৰ আন্তঃগাঁথনি উন্নয়ন সম্পৰ্কে।**

শ্ৰী মজিবুৰ ৰহমান : মাননীয় বিধায়ক

**প্ৰশ্নঃ**

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ বিভিন্ন জিলা আৰু সমষ্টিত থকা আৰক্ষী থানা (Police Station), আউট পোষ্ট (Out Post) আৰু ব'ৰ্ডাৰ আউট পোষ্ট (Border Out Post) বিলাকত আৰক্ষী সকলৰ নিম্নতম সুবিধা যেনে বিশুদ্ধ খোৱা পানী, প্ৰস্ৰাৱগাৰ আৰু শোৱাৰ ব্যৱস্থা যথেষ্ট দুখলগা। অসমৰ প্ৰতিটো থানা, আউট পোষ্ট আৰু বি অ পি বিলাকৰ আন্তঃগাঁথনি উন্নয়ন কৰিবৰ বাবে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিব নে ? যদি কৰে, কেতিয়ালৈ কৰিব ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) অসমৰ প্ৰায়বোৰ আৰক্ষী থানা, আউট পোষ্ট আৰু ব'ৰ্ডাৰ আউট পোষ্ট বিলাকৰ পকী চাৰিবেৰ (Boundary Wall) নথকাৰ বাবে বিষয়া-জোৱান সকলৰ লগত ৰখা অস্ত্ৰবোৰৰ নিৰাপত্তাৰ কাৰণে পকী বেৰ (Boundary Wall) নিৰ্মাণ কৰা কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে ? যদি তেনে ব্যৱস্থা গ্ৰহণ কৰে, কেতিয়ালৈ কৰিব ? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

**উত্তৰঃ**

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ

(ক) অসমৰ বিভিন্ন জিলাত থকা আৰক্ষী থানা (Police Station), আউট পোষ্ট (Out Post) আৰু ব'ৰ্ডাৰ আউট পোষ্টৰ (Border Out Post) আন্তঃগাথনি উন্নয়নৰ কাম চলি আছে। ইতিমধ্যে ২৮১ খন থানা আৰু ৮৩ খন আউট পোষ্টৰ আন্তঃগাথনি উন্নয়নৰ কাম চলি আছে। ইয়াৰে ১১৪ খন থানা আৰু ২৬ খন আউটপোষ্টৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে য'ত নিম্নতম সুবিধা যেনে খোৱা পানী, প্ৰস্ৰাৱগাৰ ইত্যাদি সুবিধা উপলব্ধ আছে।

ইয়াৰ উপৰি Special Assistance to States Under Capital Investment (SASCI) প্ৰকল্পৰ অধীনত অসমৰ বিভিন্ন ঠাইত ১৬ টা RCC (S+4) Lower Subordinate (L/S) quarter নিৰ্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।

কাছাৰ, শ্ৰীভূমি, ধুবুৰী আৰু দক্ষিণ শালমাৰা জিলাৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ ২য় প্ৰতিৰক্ষা শাৰীৰ বৰ্তমানৰ ১৪ টা অসম আৰক্ষী বি অ' পি আৰু ১৩ টা অসম আৰক্ষী টহল চকী মেৰামতি/নবীকৰণৰ বাবে বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) উপৰোক্ত ২৮১ খন আৰক্ষী থানা আৰু ৮৩ খন আৰক্ষী আউটপোষ্টত পকী চাৰিবেৰৰ (Boundary Wall) ব্যৱস্থা আছে।

***

*(উত্তৰৰ প্ৰতিলিপি 'https://cms.neva.gov.in'ত আপলোড কৰা হৈছে)*